# নক্ষত্র

- পলাশ জ্যোতি নাথ, ষষ্ঠ সান্মাষিক -পদাৰ্থ বিজ্ঞান বিভাগ, বিশ্বনাথ মহাবিদ্যালয়

তাহানিতে শৈশৱতে

থৰ হৈ ৰৈছিলো নিশাৰ আকাশলৈ চাই,

অলেখ ৰহস্যৰ মাজতো

তিৰবিৰাই থকা নক্ষত্ৰবোৰৰ পৰিধি বিচাৰি ।

অজস্ৰ সীমাহীন নক্ষত্ৰবোৰে

ৰচিছিল ন মায়াজাল,

আয়ে কোৱাৰ দৰেই

দুচকুৱে সন্ধান কৰিছিল

নক্ষত্ৰ হৈ উজ্বলি থকা

পূৰ্বপুৰুষৰ উপস্থিতি।

শৈশৱ গুচি যৌৱনৰ মাজমজিয়া গচকিলো

তথাপিও দুচকুত সেই একেই কৌতুহল,

পৃথক মাথোঁ পৰ্যৱেক্ষণৰ প্ৰক্ৰিয়া

বৈজ্ঞানিক, আনুষ্ঠানিক,

তথাপিও কেতিয়াবা বিলীন হৈ যাওঁ

নক্ষত্ৰৰ বিশাল পৃথিৱীত

তাহানিৰ সেই শৈশৱৰ দৰেই।।